গ্ৰন্থ শিতান

# এজন লেখক আৰু এখন কিতাপ

❑ ড° অঞ্জন শইকীয়া

১৯৪০ চনৰ ২ মাৰ্চ তাৰিখৰ 'হৰিজন' কাকতত গান্ধীয়ে লিখিছিল— 'মোৰ মৃত্যুৰ পিছত মই যদি জানিবলৈ পাওঁ যে মই যিহৰ বাবে থিয় দিছিলোঁ, সি গৈ এক শ্ৰেণীলোকৰ মতবাদতহে পৰিণত হৈছে, তেন্তে মই গভীৰভাৱে দুখ পাম। যদি ভুলৰ কাৰণে গান্ধীবাদে থিয় দিছে তেন্তে ই ধ্বংস হৈ যাওক। সত্য আৰু অহিংসা কেতিয়াও ধ্বংস নহ'ব। কিন্তু যদিহে গান্ধীবাদ এক শ্ৰেণী মানুহৰ মতবাদৰ এটা নাম হয়, তেন্তে ইয়াক ধ্বংস কৰাই উচিত হ'ব। আমি মনে মনে কাম কৰি যাব লাগে। গান্ধীৰ অনুগামী বুলি যেন কোনেও নকয়। মোৰ পক্ষে এয়ে যথেষ্ট যে মইহে মোৰ নিজৰ অনুবৰ্তী। মই মোৰ নিজৰ অনুপযোগী অনুবৰ্তী বুলি মই জানো, মই যিবিলাক ময়েই জীৱনত আচৰণ কৰিব নোৱাৰো। তোমালোকে মোৰ অনুসৰণকাৰী নোহোৱা, কিন্তু মোৰ সহাধ্যায়ী, সহতীৰ্থ যাত্ৰী, সহান্বেষণকাৰী, সহকৰ্মীহে।' এনেদৰে ১৯৩৭ চনৰ ১ মে' তাৰিখৰ 'হৰিজন' কাকতত অতি তাৎপৰ্যপূৰ্ণভাৱে এইবুলি লিখিছে— 'যেতিয়াই তোমালোকে কোনো কথা অসুবিধা পোৱাহঁত, তেতিয়াই 'ইয়ং ইণ্ডিয়া' আৰু 'হৰিজন'ত মোৰ লিখিবিলাকলৈ উলটি চাবা আৰু সেইবিলাকৰ মতে দৃঢ় প্ৰতিজ্ঞা হ'বা। অৱশ্যে মোৰ শটো খৰি দিয়াৰ লগে লগে মোৰ লিখাবিলাকো জুইত জাহ যাবলৈ দিব লাগে। মই কি কৰিলোঁ সিহে থাকি যাব, মই কি ক'লোঁ ব লিখিলোঁ সেইবোৰ নহয়। মই যিবিলাক কলোঁ বা লিখিলোঁ, সেইবিলাক ইমানেই দৰকাৰী যদি সেইবিলাকে সত্য আৰু অহিংসাৰ মহান মূলনীতিসমূহ আয়ত্ত কৰিবলৈ তোমালোকক কিবা সাহায্য কৰিব পাৰিলে। যদি তোমালোকে সেইবিলাক আয়ত্ত কৰিবই নোৱাৰাহঁক, তেন্তে মোৰ লিখাবিলাক তোমালোকৰ একো কাম নেলাগিব। এজন ত্যাগ্ৰহী হিচাপে মই এইযাৰ কথাৰ প্ৰতিটো শব্দৰ অৰ্থোপলব্ধি কৰিয়েই তোমালোকক কৈছোঁ।'

স্মৰ্তব্য যে বুদ্ধৰ পিছত কেৱল এজন মাথো বিশ্বমানৱ বাৰতে জন্ম দিছে, সেইজনেই হৈছে বিশ্বৰ সৰহ সংখ্যক দেশৰপৰা




ৰাজোচিত সন্মানতকৈয়ো বেছি শ্ৰদ্ধাপূৰ্ণ সন্মান পোৱা লোক মহাত্মা গান্ধী। তেওঁ আজি এনে সন্মান কেৱল বাৰতৰ স্বাধীনতা আন্দোলনৰ সফল নেতা হিচপেই পোৱা নাইছ পাইছে বিশ্ব মানৱতাক দিয়া অপূৰ্ব অৱদানৰ বাবে। বুদ্ধদেৱৰ দৰে অথবা বেছি শুদ্ধকৈ ক'বলৈ গ'লে ভাৰতৰ অগণন মহৰ্ষি মহামুনিৰ দৰে গান্ধীয়ে বিশ্ববাসীলৈ সত্য, অহিংসা আৰু প্ৰেমৰ ভাণ্ডাৰ দান কৰি গৈছে। আজি দেশৰ চাৰিওফালে সংকটপূৰ্ণ অৱস্থাত ৰ লাগি চাই আছে গান্ধীৰ আদৰ্শৰ দাৰ্শনিক নেতৃত্বলৈ। ৰাষ্ট্ৰপিতা বুলি গান্ধীক মান্য কৰি থকা ভাৰতবাসীয়ে এই নেতৃত্বৰ সঁহাৰি দিবনে নাইছ বুদ্ধদেৱৰ দৰেই গান্ধীকো দেশান্তৰী কৰি নিৰ্বাসনহে দিব এইয়া হৈছে আজি অতি প্ৰাসংগিক প্ৰশ্ন। প্ৰকৃতাৰ্থত গান্ধী মানেই হৈছে শত প্ৰশ্ন আৰু শতাধিক উত্তৰৰ ৰহঘৰা। কিন্তু যিইতিহাসৰ শেষ নাইছ তাৰ শেষ কথা ক'ব কোনে? নতুন নতুন চিন্তাৰ উন্মেষণ আহি থাকিব নতুন প্ৰশ্ন লৈ, নতুন সমাধান বিচাৰি। মালতঃ গান্ধীৰ সন্দৰ্ভত যিমানেই বিতৰ্ক নাথাকক কিয়, ভাৰতৰ এই মহান ঐতিহাসিক পুৰুষ, এক উজ্জ্বল জ্যোতিষ্ক।

দুৰ্নীতি নিবাৰণ কৰাটো আমাৰ ৰাষ্ট্ৰনীতি। সেইদৰে মাদকতা নিবাৰণ কৰাটোও অন্যতম ৰাষ্ট্ৰনীতি। সাধুতা, ন্যায়পৰায়ণতা, মিথ্যাচাৰ প্ৰভৃতি গুণৰাজি দল-নিৰ্বিশেষে সকলোৰে আদৰ্শ। এনেস্থলত যদি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অধিকাংশৰ গাতেই এইবোৰ নীতিৰ পৰিপন্থী দোষ পৰিলক্ষিত হয়, তেন্তে শিক্ষাৰ্থীসকলে এইবোৰ নীতিগত আদৰ্শ ক'ৰপৰা গ্ৰহণ কৰিব? বাইবেলত কোৱাৰ দৰে যদি লোণেই লুণীয়া হ'বলৈ এৰে, তেন্তে লোণনো লুণীয়া গুণটো ক'ৰপৰা পাব? আজি আমাৰ সমাজৰ বাতাৱৰণ শিক্ষকৰ প্ৰতি পূৰ্বতকৈ হ্ৰাস পাইছে বুলি আমাৰ ধাৰণা। অধ্যয়ন বিমুখ এখন সমাজলৈ ক্ৰমাগতভাৱে ৰূপান্তৰিত হৈছে। তৎসত্বেও পৰিসংখ্যাৰে সীমিত হ'লেও এমুঠি লোক আজিও বিদ্যমান যিসকলে প্ৰজ্ঞাৰ নৱলোকেৰে তথা বৌদ্ধিক ক্ষেত্ৰখনত শক্তিশালী কৰিবলৈ নিৰৱভৰে আত্মনিয়োগ কৰি আছে সেইসকলৰ ৰভিতৰত শিক্ষক মুকুল শইকীয়া অন্যতম। শইকীয়াৰ লেখাই প্ৰমাণ কৰিছে যে তেওঁ এগৰাকী সফল শিক্ষক হোৱাৰ উপৰি এজন দায়বদ্ধ লেখক। শিক্ষক শইকীয়াৰ এই বৌদ্ধিক যাত্ৰাত এক প্ৰত্যাশাৰ অৱকাশ আছে। শেষত পটীয়া গাঁও শাখা সাহিত্য সভাই প্ৰকাশ কৰা মুকুল শইকীয়াৰ এই অমৃতময় গ্ৰন্থখন পাঠক সমাজলৈ উপহাৰ দিয়াত তেওঁলৈ শলাগ আৰু কৃতজ্ঞতা ৰ'ল। ভৱিষ্যতেও এনেধৰণৰ আৰু সমৃদ্ধ উপহাৰ আশা পোষণ কৰি ৰ'ম। শইকীয়াক ক'বৰ মন গৈছে— আগবাঢ়ি গৈ থাকক, গৈ থাকক।

---

১৫ পৃষ্ঠাৰ পৰা

# শ্বিলঙৰে একা বেঁকা.....

সমাজ আছিল তাতেই মানুহৰ বসতিস্থল হোৱা লগতে দুই-এটা চৰকাৰী কাৰ্যালয়ও আছিল আৰু পাহাৰৰ বাকী ঠাইবোৰ জনশূন্য। ককাৰণ সেই ঠাইবোৰ বসতিৰ বাবে উপযোগী নাছিল; বাটত আমি পাহাৰীয়া ওখোৱা মোখোৰ ঘাঁহনি আৰৰূৰহ দূৰৈত একোখন সৰু সৰু হোটেল দেখা লগতে বহুত দূৰৰ মূৰতে একোখন গাড়ীৰ মুখামুখি হৈছিলোঁ।

শ্বিলঙৰ পৰা নামি মুঠ ৫৩.৯ কি. মি. পথ অতিক্ৰম কৰি আহি চেৰাপুঞ্জীৰ SHORA নামে চাইত উপস্থিত হ'লোঁ। ৯-০০ বজাত অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ চেৰাপুঞ্জীৰ SOHRA ৰ NONKALIKAI FALL ত উপস্থিত হ'লোঁ।

**সাতভনীৰ জলপ্ৰপাত ঃ**

মেঘালয়ৰ পূব খাচী জিলাৰ Sawsnei গাঁৱৰ দক্ষিণে এক কি. মি. নিলগত অৱস্থিত এই জলপ্ৰপাত। সাতটা জলপ্ৰপাত আছে বাবে ইয়াক সাতভনীৰ জলপ্ৰপাত বুলি কোৱা হয়। ই ভাৰতৰ ভিতৰতে চতুৰ্থ সৰ্বোচ্চ জলপ্ৰপাত। ইয়াক Nobsngithiang Falls বুলিও জনা যায়। সূৰ্য উদয় আৰু অস্ত যোৱাৰ সময়ত সূৰ্যৰ পোহৰ আৰু জলপ্ৰপাতৰ নীলা পানীৰ ধাৰাৰ লগতে সেউজীয়া দলিচাসদৃশ গছ-গছনিবোৰে ঠাইখন অত্যন্ত আকৰ্ষণীয় কৰি তোলে আৰু মন-প্ৰাণ জুৰ পেলাই দিয়ে। প্ৰথমে এইটো ডাৱৰৰ মাজত লুকাই আছিল যদিও বলি থকা বতাহৰ ফলত ডাৱৰখিনি আঁতৰি গ'লত এই জলপ্ৰপাতটোৰ যি অপৰূপ সৌন্দৰ্য দেখিলোঁ তাক প্ৰকাশ কৰাটো সম্ভৱেই নহয়। অলপ সময় জলপ্ৰপাতটোৰ চাৰিওফালে ফুৰাৰ পিছত তাৰ ওচৰতে থকা এখন হোটেলত পুৱাৰ চাহ আৰু ৰুটি খাই ওচৰৰ দোকান-পোহাৰবোৰ ফুৰি আমি পুনৰ বাছত উঠি নতুন ঠাইলৈ বুলি যাত্ৰা কৰিলোঁ।

Nohkalikai Falls ৰ পৰা আহি আমি দুয়োফালে ডাঠ হাবিৰে ভৰা এটা গহীন পকী পথেৰে Khah Ramhoh Or Maw Trop লৈ যাত্ৰা কৰিলোঁ। ১১-৩০ বজাত Maw Trap ত উপস্থিত হ'লোঁ, ই ঠাইত এটা জলপ্ৰপাত থকাৰ লগতে ইয়াৰ ওচৰত অৰ্থাৎ পাহাৰৰপৰা প্ৰায় ৫-৬ ফুট দূৰত ঘাঁহেৰে আবৰি থকা শিৱলিংগৰ দৰে এটা প্ৰকাণ্ড শিল দেখিবলৈ পাইছিলোঁ। তথ্য অনুসৰি এই শিলটো মাটিৰপৰা প্ৰায় দুশ ফুট ওখ আছিল। এই ঠাইখন ডাঠ কুঁৰলীৰে আবৰি থকাৰ উপৰি বতাহৰ গতিবেদ যথেষ্ট বেছি আছিল। ইয়াৰ পাছত আমি Thangkhaprang Park ৰ দিশে গতি কৰিছোঁ।

**থাংগখাৰাং উদ্যান ঃ** সৰ্বমুঠ ৫.৫ হেক্টৰ মাটিৰে আগুৰি থকা ঠাইখনৰ উষ্ণতা প্ৰায় ১৮° ছে। উদ্যানকনৰ ওপৰৰপৰা ডাৱৰে আবৰি থকা পৰিৱেশ অতি মনোৰম। ওখ ওখ শিলৰ পাহাৰৰ লগতে চেঁচা পানীৰ সুঁতি আৰু এখনি সৰু দলং। ঠাণ্ডা পৰিৱেশটোৱে দেহ-মন শীতত কঁপাই তুলিছিল।

**মাউছমাই গুহা ঃ**

আমি Khah Ramhah or Maw Trop ৰপৰা আহি ১১.৫০ বজাত Thangkharang Park ত উপস্থিত হ'লোঁ। এই পাৰ্কখন চাই পুনৰ আমি দিনৰ ১২.১০ বজাত Mawsmai Cave ত উপস্থিত হ'লোঁ। চেৰাপুঞ্জীত অসংখ্য গুহা আছে। তাৰ ভিতৰত এটা আকৰ্ষণীয় আৰু পৰ্যটনৰ বাবে উত্তম গুহা হৈছে মাউছমাই গুহা। অনুসন্ধিৎসু মনৰ লোকে এনে গুহা পৰিভ্ৰমণ কৰি আনন্দিত হয়। গুহাটো প্ৰায় ১৫০ মিটাৰ দীঘল। ভিতৰলৈ সূৰ্যৰ পোহৰ নোসোমায় যদিও কৃত্ৰিম পোহৰৰ ব্যৱস্থা কৰা হৈছে। গুহাৰ ভিতৰচ'ৰা ফুৰি অহাৰ পাছত অলপ সময় বাহিৰৰ ঠাণ্ডা পৰিৱেশত ওচৰৰ দোকানসমূহত বজাৰ কৰি Mawsmai Cave ৰ ওচৰত থকা হোটেল এখনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলোঁ। এই গুহাত সোমাবলৈ দিয়াৰ সময় ৯-৩০ ৰপৰা সন্ধিয়া ৫-৩০ বজালৈ, আৰু আমি যিহেতু দুপৰীয়া সময়ত যোৱাৰ বাবে এই গুৱা সুন্দৰভাৱে দৰ্শন কৰিব পাৰিলোঁ। শেষত খাই বৈ ফুৰি চাকি দুই বজাত এই গুহাৰপৰা বিদায় লৈ পুনৰ গুৱাহাটীৰ দিশে যাত্ৰা আৰম্ভ কৰিলোঁ।

পূবৰ স্কটলেণ্ড ৰূপে পৰিচিত শ্বিলং এখন স্বাস্থ্যকৰ ঠাই। ইয়াক লৈ আমি উত্তৰ-পূবৰ সকলো লোকে গৌৰৱ অনুভৱ কৰোঁ। এই ঠাই ভাৰতীয় বা বিদেশী পৰ্যটকৰ বাবেও আকৰ্ষণীয় স্থান। কিন্তু দুৰ্ভাগ্যজনক যে ইমান এখন সুন্দৰ পৰ্যটনস্থলী হোৱাৰ পাছতো কিন্তু এই পৰ্যটন স্থানসমূহৰ সমস্যা সমাধানৰ কৰিব পৰা নাই। শ্বিলঙৰ বায়ু যথেষ্ট বিশুদ্ধ, কিয়নো ইয়াত উদ্যোগৰ পৰিমাণ তেনেই তাকৰ। মেঘালয়ৰ শ্বিলং আৰু চেৰাপুঞ্জী অঞ্চলসমূহ পৰিদৰ্শন কৰি সেই ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্যই মোক যথেষ্ট আকৰ্ষণ কৰাৰ লগতে সেই ঠাইসমূহ দৰ্শন কৰিবলৈ পাই মই গৌৰৱ অনুভৱ কৰিছিলোঁ। আমি বিভিন্ন ঠাই ফুৰোঁতে বাটত দেখি যোৱা L আৰু U আকৃতিৰ সৰু অসম আৰ্হিৰ সৰু সৰু ঘৰসমূহৰ বাৰাণ্ডাত খেলি থকা ল'ৰা-ছোৱালীবোৰ আৰু মাক বা দেউতাকে কাপোৰে পিঠিত নিজৰ সৰু সন্তানক বান্ধি কাম কৰি থকা আৰু বাটৰ কাযত বৈ থকা দেখি যথেষ্ট ভাল লাগিছিল। এই দৃশ্যসমূহ দেখি যিমান ভাল লাগিছিল তাতকৈ বেছি ভাল লাগিছিল পাহাৰীয়া একা-বেঁকা বাটেৰে গৈ থাকোঁতে আন পাহাৰৰ টিলাত ডাৱৰৰ ফাকে ফাকে আহি পৰা সূৰ্যৰ পোহৰবোৰ। এই পোহৰত পাহাৰৰ টিলাত থকা গছবোৰ আৰু ৰঙা ৰঙৰ ডাঙৰ শিলবোৰ জিলিকি উঠাত যি ৰঙীন পৰিৱেশৰ সৃষ্টি হৈছিল তাক দেখি আমাৰ মনবোৰ উৎফুল্লিত হৈ উঠিছিল। শ্বিলঙৰ ঠাণ্ডা পৰিৱেশত থকাৰ বাবে কনিষ্ঠৰপৰা জ্যেষ্ঠজনলৈকে বুলি যিটো হাৰত ধূমপান কৰা দেখা গ'ল আগন্তুক দিনত এই কথাটোৰে শ্বিলঙৰ স্বাস্থ্যখণ্ডত বিশেষ প্ৰভাৱ পেলাব। যি কি নহওক, শ্বিলঙৰ সেউজীয়া শান্ত পৰিৱেশ আৰু পথত যাওঁতে পাই যোৱা সৰু সসৰু জলপ্ৰপাতবোৰ আৰু নানা আকৃতিৰ সৰু-ডাঙৰ শিলবোৰে আমাৰ মনটোক আপ্লুত কৰিছিল।

*ভ্ৰাম্যভাষ ঃ ৯৪৩৫৭৩৮৬৪৫*